# ভাৰতবৰ্ষৰ আঞ্চলিক ভূগোল

## তৃতীয় খণ্ড

### পাঠভিত্তিক অতি চমু প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১। ভাৰতবৰ্ষৰ এটি চমু পৰিচয় দাঙি ধৰা ।**

**উত্তৰঃ** এচিয়া মহাদেশৰ অন্তৰ্গত আৰু পৃথিৱীৰ উত্তৰ গোলাৰ্ধত অৱস্থিত ভাৰতবৰ্ষ এখন উল্লেখযোগ্য দেশ । ভাৰতবৰ্ষত ভিন্ন প্ৰকাৰৰ জলবায়ু , প্ৰাকৃতিক পৰিৱেশ আৰু আৰ্থ – সামাজিক ভিন্নতা দেখা যায় । দেশখনত বৰফেৰে আবৃত হিমালয় অঞ্চলত অতি শীতল জলবায়ু আৰু ৰাজস্থানৰ শুকান বালিময় মৰুভূমিত অতিপাত গৰম জলবায়ু পোৱা যায় । এই দেশখনত কোনো কোনো ঠাইত অতি বৃষ্টি হৈ বানপানীৰ সৃষ্টি কৰে আৰু অনাবৃষ্টিৰ ফলত খৰাং অৱস্থা হয় । দেশখনত ডাঙৰ ডাঙৰ গছ – গছনিৰে ভৰা অৰণ্য অঞ্চলৰ লগতে কাইটীয়া জোপোহা গছৰ অৰণ্যও আছে । ভাৰতবৰ্ষৰ ভূখণ্ড নানা পৰ্বত , পাহাৰ , মালভূমি , সমভূমি , প্লাৱনভূমি আদি বিভিন্ন ভূ – প্ৰকৃতিৰে বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে । ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰা চলি অহা সৰল সাংস্কৃতিক ভিত্তি , মৌচুমী জলবায়ুৰে গঢ় দিয়া সদৃশ প্ৰাকৃতিক অৱস্থাই ভাৰতীয় লোকসকলৰ মাজত ঐক্যৰ মনোভাৱৰ জন্ম দিছে ।

**প্ৰশ্ন ২। ভাৰতবৰ্ষৰ অৱস্থিতি আৰু আকাৰ সম্পৰ্কীয় বৈশিষ্ট্যখিনি আলোচনা কৰা ।**

**উত্তৰঃ** ভাৰতবৰ্ষ দেশখন এচিয়া মহাদেশৰ দক্ষিণাংশত অৱস্থিত । দেশখনৰ উত্তৰে আছে সুউচ্চ হিমালয় পৰ্বতমালা আৰু চীন দেশ , দক্ষিণে আছে ভাৰত মহাসাগৰ আৰু শ্ৰীলংকা , পূৰ্ব দিশত , আছে বংগোপসাগৰ আৰু ম্যানমাৰ দেশ আৰু পশ্চিম দিশত আছে আৰৱ সাগৰ আৰু পাকিস্তান । ভাৰতবৰ্ষৰ ভূখণ্ড উত্তৰা – দক্ষিণাকৈ কাশ্মীৰৰ পৰা কুমাৰিকা লৈকে আৰু পূৰ্ব – পশ্চিমাকৈ অৰুণাচল প্ৰদেশৰ পূৱ প্ৰান্তৰ পৰা পাকিস্তান লৈকে বিস্তৃত । ভাৰতবৰ্ষ ৮° ৪′২৮″ উত্তৰৰ পৰা ৩৭° ১৭৫৩″ উত্তৰ অক্ষৰেখা আৰু ৬৮° ৭′৩৩″ পূৱৰ পৰা ৯৭°২৪″ ৪৭″ পূৰ্ব দ্ৰাঘিমাৰেখাৰ মাজত অৱস্থিত । ভাৰতীয় ভূ – ভাগে প্ৰায় ৬,১০০ কিল′মিটাৰ দৈৰ্ঘ্যৰ উপকূল সৃষ্টি কৰিছে আৰু তাত বহুতো উল্লেখযোগ্য বন্দৰ গঢ়ি উঠিছে । ভাৰতবৰ্যৰ মূল স্থলসীমাৰ দৈৰ্ঘ্য ১৫,২০০ কিল′মিটাৰ ।

আকাৰৰ ফালৰ পৰা ভাৰতবৰ্ষ পৃথিৱীৰ দেশসমূহৰ ভিতৰত সপ্তম স্থান দখল কৰিছে । ভাৰতবৰ্ষৰ মুঠ মাটিকালি ৩,২৮৭,২৬৩ বৰ্গ কিল′মিটাৰ । ভাৰতবৰ্ষই পৃথিবীৰ মুঠ

মাটিকালিৰ ২২ শতাংশ জুৰি আছে । দেশখনৰ আকাৰ বিশাল আৰু ইয়াত ২৮ খন ৰাজ্যৰ লগতে ৭ টা বৃহৎ কেন্দ্ৰীয় শাসিত অঞ্চল আছে ।

**প্ৰশ্ন ৩। ভূ – প্ৰকৃতিৰ ভিত্তিত ভাৰতক কেইটা অঞ্চলত ভাগ কৰিব পাৰি ? চিত্ৰৰ সহায়ত বুজাই দিয়া ।**

**উত্তৰঃ** ভূ – প্ৰকৃতিৰ ভিত্তিত ভাৰতক চাৰিটা অঞ্চলত ভাগ কৰিব পাৰি । সেইবােৰ হৈছে—


( ক ) উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল ।

( খ ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল ।

( গ ) দাক্ষিণাত্য মালভূমি অঞ্চল । আৰু

( ঘ ) উপকূল অঞ্চল ।

তলত মানচিত্ৰত ভাৰতৰ ভূ-প্ৰকৃতিৰ অঞ্চলসমূহ দেখুৱা হ’ল-



ভাৰতৰ হিমালয় পাৰ্বত্য অঞ্চলটো ইয়াৰ উত্তৰ সীমাৰ সৈতে সংলগ্ন হৈ আছে আৰু ই কাশ্মীৰৰ নঙ্গ পৰ্বতৰ পৰা পূৱা – পশ্চিমাকৈ অৰুণাচল প্ৰদেশৰ পূৱ সীমালৈকে বিস্তৃত হৈ আছে। এই পাৰ্বত্য অঞ্চলটোৱে প্ৰায় ২৫০০ কিল'মিটাৰ দীঘল আৰু প্ৰায় ২৪০ কিল'মিটাৰৰ পৰা ৫০০ কিল'মিটাৰ পৰ্যন্ত প্ৰায় ৫,০০,০০০ বৰ্গকিল'মিটাৰ মাটিকালি আগুৰি আছে। সাগৰ পৃষ্ঠৰ পৰা এই পাৰ্বত্য অঞ্চলৰ উচ্চতা ৮,০০০ মিটাৰৰ অধিক। পূৰ্ব – পশ্চিমাকৈ সমান্তৰালভাৱে হিমালয় পৰ্বতমালাক উচ্চ হিমালয় , নিম্ন হিমালয় আৰু বহিঃ হিমালয় হিচাপে তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি।

উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটো উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল আৰু দক্ষিণৰ মালভূমি অঞ্চলৰ মাজত অৱস্থিত। এই সমভূমি অঞ্চলটো পূৱে অসম প্ৰদেশৰ পৰা পশ্চিমে পাকিস্তান সীমালৈকে প্ৰায় ২৪,০০ কিল'মিটাৰ বিস্তৃত। উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটোৱে দেশখনৰ প্ৰায় ৭,০০,০০০ বৰ্গ কিল'মিটাৰ ঠাই আগুৰি আছে। এই অঞ্চলটোৰ অন্তৰ্গত পাঁচখন সমভূমি হৈছে —

( ক ) পশ্চিম সমভূমি।

( খ ) পাঞ্জাব – হাৰিয়ানা সমভূমি।

( গ ) গংগা সমভূমি।

( ঘ ) উত্তৰ বংগ সমভূমি। আৰু

( ঙ ) ব্ৰহ্মপুত্ৰ সমভূমি।

হিমালয় অঞ্চলৰ পৰা প্ৰবাহিত হাোৱা তিনিখন প্ৰধান , নদী — সিন্ধু , গংগা আৰু ব্ৰহ্মপুত্ৰৰ লগতে এই নদীবাোৰৰ অসংখ্য উপনৈয়ে উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটো গঠন কৰিছে।

দাক্ষিণাত্য মালভূমি অঞ্চলটো উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ দক্ষিণ দিশত অৱস্থিত আৰু ই পুৰণি কঠিন শিলাৰে গঠিত। এই মালভূমি অঞ্চলটো উত্তৰৰ মালৱা মালভূমি আৰু বিন্ধ্য পৰ্বত আৰু উত্তৰ – পূৱ ছাোটনাগপুৰ মালভূমিক সামৰি লৈ গঠিত হৈছে। সমগ্ৰ মালভূমি বিন্ধ্য , সাতপুৰা , মহাদেৱ আৰু মহাকাল পৰ্বতে উত্তৰ আৰু দক্ষিণ নামে দুটা অংশত ভাগ কৰিছে।

ভাৰতবৰ্ষৰ উপকূল অঞ্চল দাক্ষিণাত্য মালভূমি অঞ্চলৰ পূৱ আৰু পশ্চিম সীমাত বংগাোপসাগৰ আৰু আৰৱ সাগৰৰ পাৰত অৱস্থিত। এই অঞ্চলটোৰ উচ্চতা সাগৰ পৃষ্ঠৰ

পৰা ৩০ মিটাৰৰ পৰা ৫০ মিটাৰৰ ভিতৰত । উপকূলীয় সমতল অঞ্চল দীঘল আৰু ঠেক হাোৱা বাবে ইয়াক পূৱ আৰু পশ্চিম উপকূল হিচাপে দুটা ভাগত ভাগ কৰিব পাৰি । পূৱ উপকূল অঞ্চলটো বংগাোপসাগৰ আৰু পূৰ্বঘাট পৰ্বত শ্ৰেণীৰ মাজত অৱস্থিত আৰু ই দক্ষিণ ভাৰতৰ আটাইবিলাক প্ৰধান নদীয়ে সৃষ্টি কৰা সমভূমি আৰু ব – দ্বীপেৰে গঠিত । পশ্চিম উপকূল অঞ্চলটো আৰৱ সাগৰ আৰু পশ্চিমঘাট পৰ্বতৰ মাজত অৱস্থিত আৰু ই উত্তৰে কাম্বে উপসাগৰৰ পৰা দক্ষিণে কুমাৰিকালৈকে বিস্তৃত হৈ আছে । এই উপকূল অঞ্চলৰ দৈৰ্ঘ্য প্ৰায় ১৫০০ কিল’মিটাৰ আৰু প্ৰস্থ ১০ ৰপৰা ১৫ কিল’মিটাৰৰ ভিতৰত । ইয়াৰ উপৰিও ভাৰতীয় দ্বীপসমূহক এটা সুকীয়া প্ৰাকৃতিক বিভাগ হিচাপে গণ্য কৰিব পাৰি ।

**প্ৰশ্ন ৪। ভাৰতৰ ভূ – প্ৰাকৃতিক অঞ্চলসমূহৰ চমু বৰ্ণনা দিয়া ।**

**উত্তৰঃ** ভাৰতৰ ভূ – প্ৰাকৃতিক অঞ্চলসমূহ হৈছে—

( ক ) উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল ।

( খ ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল ।

( গ ) দাক্ষিণাত্য মালভূমি অঞ্চল ।

( ঘ ) ভাৰতৰ উপকূল অঞ্চল ।

( ক ) উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল :- ভাৰতবৰ্ষৰ হিমালয় পাৰ্বত্য অঞ্চলটো ইয়াৰ উত্তৰ সীমাৰ সৈতে জড়িত । ই কাশ্মীৰৰ নঙ্গ পৰ্বতৰ পৰা অৰুণাচল প্ৰদেশৰ পূৱ সীমালৈকে পূৱা – পশ্চিমাকৈ বিস্তৃত । এই পাৰ্বত্য অঞ্চলটোৱে প্ৰায় ২৫০০ কিল’মিটাৰ দীঘল আৰু ২৪০ ৰ পৰা ৫০০ কিল’মিটাৰ পৰ্যন্ত বহল প্ৰায় ৫,০০,০০০ বৰ্গ কিল’মিটাৰ মাটিকালি আগুৰি আছে । হিমালয় পৰ্বতমালা এক সাগৰৰ পৰা সৃষ্টি হাোৱা বুলি

ভূ-বিজ্ঞানীসকলে মত পাোষণ কৰে । সাগৰৰ তলিত জমা হাোৱা গেছবাোৰে কঠিন শিলাকৃতি হৈ ওপৰলৈ উঠি আহি ঢৌৰ আকাৰলৈ ভঙ্গিল পৰ্বত শ্ৰেণীৰ সৃষ্টি কৰে ।

হিমালয় অঞ্চলৰ পৰা ওলাোৱা নদনদীবাোৰৰ পানীৰ প্ৰধান উৎস হৈছে পৰ্বতৰ শীৰ্ষ ভাগত থকা তুষাৰ নৈসমূহ । পূৰ্ব পশ্চিমাকৈ হিমালয় পৰ্বতমালাক উচ্চ হিমালয় , নিম্ন হিমালয় আৰু বহিঃ হিমালয় হিচাপে তিনিটা ভাগত ভগাব পাৰি । উচ্চ হিমালয় শ্ৰেণীটো উত্তৰ অংশত পূৱা – পশ্চিমাকৈ বিস্তৃত আৰু ইয়াৰ গড় উচ্চতা ৬০০০ মিটাৰ । দক্ষিণৰ পৰ্বত শ্ৰেণীটোক নিম্ন হিমালয়ৰূপে জনা যায় আৰু ইয়াৰ গড় উচ্চতা ৪০০০ মিটাৰ ।

বহিঃ হিমালয় পৰ্বতশ্ৰেণী তুলনামূলকভাবে চাপৰ আৰু ইয়াৰ গড় উচ্চতা প্ৰায় ১০০০ মিটাৰ ।

( খ ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল :- উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটো উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল আৰু দক্ষিণৰ মালভূমি অঞ্চলৰ মাজত অৱস্থিত । এই অঞ্চলটো পূৱে অসমৰ পৰা পশ্চিমে পাকিস্তানৰ সীমান্তলৈকে প্ৰায় ২৪০০ কিলমিটাৰ বিস্তৃত আৰু অঞ্চলটোৱে প্ৰায় ৭,০০,০০০ বৰ্গ কিল'মিটাৰ ঠাই আগুৰি আছে । এই সমভূমি অঞ্চলটো প্ৰধানকৈ পাঁচখন সমভূমি যেনে — পশ্চিম সমভূমি , পাঞ্জাৱ,হাৰিয়ানা সমভূমি , গঙ্গা সমভূমি , উত্তৰবঙ্গ সমভূমি আৰু ব্ৰহ্মপুত্ৰ সমভূমিকলৈ গঠিত ।

পশ্চিম সমভূমি অঞ্চল পাঞ্জাৱ আৰু হাৰিয়ানাৰ খৰাং অঞ্চলক সামৰি গঠিত হৈছে । আনহাতে পাঞ্জাৱ,হাৰিয়ানা সমভূমি শতদ্ৰু ( Sutlij ) , বিপাশা ( Beas ) আৰু ৰাবি ( Ravi ) নদীৰ সমভূমিকলৈ গঠিত হৈছে । আকৌ গংগা আৰু যমুনা নদীৰ সমতল ভূমিকলৈ গঠিত হৈছে গংগা সমভূমি । হিমালয়ৰ পৰা নামি অহা নদ – নদীয়ে উত্তৰবঙ্গ সমতল ভূমি গঠন কৰিছে আৰু ব্ৰহ্মপুত্ৰৰ লগতে তাৰ উপনৈসমূহে অসমৰ ব্ৰহ্মপুত্ৰ সমতল ভূমি গঠন কৰিছে । অৰ্থাৎ উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটো হিমালয় অঞ্চলৰ পৰা বৈ অহা গংগা , সিন্ধু , আৰু ব্ৰহ্মপুত্ৰ নদী তথা তাৰ উপানৈসমূহৰ দ্বাৰা গঠিত হৈছে । এই সমভূমি অঞ্চলৰ কৃষিভূমি সাৰুৱা আৰু সেয়ে জনবসতি ঘন ।

( গ ) দাক্ষিণাত্য মালভূমি অঞ্চল :- দাক্ষিণাত্য মালভূমি উত্তৰ ভাৰতৰ সমভূমি অঞ্চলৰ দক্ষিণ দিশত অৱস্থিত আৰু এই মালভূমি অঞ্চলটো কঠিন শিলাৰে গঠিত । এই মালভূমি অঞ্চলটো উত্তৰৰ মালৱা মালভূমি আৰু বিন্ধ্য পৰ্বত আৰু ছাোটনাগপুৰ মালভূমিক লৈ গঠিত হৈছে । সমগ্ৰ মালভূমি অঞ্চলটোক বিন্ধ্য , সাতপুৰা , মহাদেৱ আৰু মহাকাল পৰ্বতে উত্তৰ আৰু দক্ষিণ ৰূপে দুটা ভাগত বিভক্ত কৰিছে । উত্তৰ অংশৰ ভিতৰত মালৱা আৰু ছাোটনাগপুৰ মালভূমি অৱস্থিত । দক্ষিণৰ মালভূমি অঞ্চলটোৰ পশ্চিম সীমাত পশ্চিমঘাট পৰ্বতশ্ৰেণী আৰু পূৱ সীমাত পূৰ্বঘাট পৰ্বতশ্ৰেণী আছে । পৰ্বতৰ ঢাল অনুসৰি দক্ষিণ ভাৰতৰ সৰহভাগ নদীয়ে পশ্চিমৰ পৰা পূৱলৈ প্ৰবাহিত হৈ বংগাোপসাগৰত পৰিছে । এই অঞ্চলৰ পৰা নৰ্মদা আৰু তাপ্তী নৈ দুখন পশ্চিমলৈ প্ৰবাহিত হৈ কাম্বে উপসাগৰত মিলিত হৈছে ।

( ঘ ) ভাৰতৰ উপকূল অঞ্চল :- ভাৰতৰ উপকূল অঞ্চল দাক্ষিণাত্য মালভূমি অঞ্চলৰ পূৱ আৰু পশ্চিম সীমাত বংগাোপসাগৰ আৰু আৰৱ সাগৰৰ পাৰত অৱস্থিত । সাগৰ পৃষ্ঠৰপৰা উপকূল অঞ্চলৰ উচ্চতা ৩০ ৰ পৰা ৫০ মিটাৰ । ভাৰতৰ পূৱ উপকূল অঞ্চলটো বংগাোপসাগৰ আৰু পূৰ্বঘাট পৰ্বতশ্ৰেণীৰ মাজত অৱস্থিত আৰু ই গংগা নদীৰ মাোহনাৰ পৰা কুমাৰিকালৈকে বিস্তৃত । এই উপকূল অঞ্চলটো প্ৰায় ১১০০ কিল'মিটাৰ দীঘল আৰু গড়ে ১২০ কিল'মিটাৰ বহল । ভাৰতৰ সকলাোবিলাক প্ৰধান নদীয়ে সৃষ্টি কৰা সমভূমি আৰু ব – দ্বীপৰ দ্বাৰা এই উপকূল অঞ্চল গঠিত । পশ্চিম উপকূল

অঞ্চলটো আৰৱ সাগৰ আৰু পশ্চিমঘাট পৰ্বতৰ মাজত অৱস্থিত আৰু ই কাম্বে উপসাগৰৰ পৰা কুমাৰিকালৈকে বিস্তৃত। এই উপকূল অঞ্চলৰ দৈৰ্ঘ্য প্ৰায় ১৫০০ কিল'মিটাৰ আৰু প্ৰস্থ ১০ ৰপৰা ১৫ কিল'মিটাৰৰ ভিতৰত।

ইয়াৰ উপৰিও ভাৰতীয় দ্বীপসমূহক এটা পৃথক ভূ – প্ৰাকৃতিক ভাগ বুলি ধৰিব পাৰি। ভাৰতীয় দ্বীপসমূহৰ প্ৰধান গাোট দুটা হৈছে লাক্ষা দ্বীপপুঞ্জ আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ।

**প্ৰশ্ন ৫। ভাৰতৰ জলবায়ুবাোৰৰ বৈশিষ্ট্যবাোৰ চমুকৈ লিখা।**

**উত্তৰঃ** ভাৰতবৰ্ষৰ ভিন্ন অঞ্চলত ভিন্ন প্ৰকাৰৰ জলবায়ু অনুভূত হয়। জলবায়ুৰ প্ৰধান উপাদানসমূহ যেনে — উত্তাপ, বায়ুৰ চাপ, বতাহ আৰু আৰ্দ্ৰতা আদি ঠাই ভেদে বেলেগ বেলেগ। তাৰাোপৰি ভাৰতৰ জলবায়ুৰ ভিন্নতা নিৰ্ভৰ কৰে — দেশখনৰ বিশালতা, বিভিন্ন ভূ – প্ৰকৃতি, উচ্চতাৰ পাৰ্থক্য, সাগৰৰ পৰা দূৰত্ব, বিষুৱৰ পৰা দূৰত্ব আৰু মৌচুমী বায়ুৰ ওপৰত।

ভাৰতৰ প্ৰায় সাোমাজেদি পাৰ হাোৱা কৰ্কটক্ৰান্তি ৰেখাই দেশখনক উত্তৰ আৰু দক্ষিণ অংশত ভাগ কৰিছে আৰু ইয়াৰ উত্তৰ অংশটো পৰিছে। সমমণ্ডলত আৰু দক্ষিণ অংশটো গ্ৰীষ্ম মণ্ডলত পৰিছে। সেই বাবে দক্ষিণ ভাৰতত অধিক গৰম অনুভূত হয়। তাৰাোপৰি ভাৰতৰ ভিন্ন ভূ – প্ৰকৃতিয়ে ঠাইবাোৰৰ মাজত উচ্চতাৰ তাৰতম্য আনিছে আৰু ইয়ে জলবায়ুত প্ৰভাৱ পেলাইছে। একে অক্ষাংশত অৱস্থিত যদিও উচ্চতাৰ তাৰতম্যৰ বাবে ঠাইবাোৰত উত্তাপ, বায়ুৰ চাপ, বৰষুণৰ পৰিমাণ, আৰ্দ্ৰতাৰ পৰিমাণ কম বেছি হয় আৰু সেইবাবে জলবায়ুও ভিন্ন হয়। অৰ্থাৎ ভাৰতত জলবায়ু ভিন্ন বৈশিষ্ট্যপূৰ্ণ।

**প্ৰশ্ন ৬। মৌচুমী বায়ুৱে ভাৰতৰ জলবায়ুৰ ওপৰত কিদৰে প্ৰভাৱ পেলায় ব্যাখ্যা কৰা।**

**উত্তৰঃ** মৌচুমী বায়ুৱে ভাৰতৰ জলবায়ুৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। ভাৰতৰ বছৰৰ ভিন্ন ঋতুত প্ৰধানকৈ গ্ৰীষ্ম আৰু শীতকালত মৌচুমী বায়ু প্ৰবাহিত হয়। গ্ৰীষ্মকালত দক্ষিণ – পশ্চিম মৌচুমী বতাহ বলে আক শীতকালত উত্তৰ – পূৱ মৌচুমী বতাহ বলে দক্ষিণ – পশ্চিম মৌচুমী বতাহে আৰৱ সাগৰৰ পৰা যথেষ্ট পৰিমাণে জলীয় বাষ্প কঢ়িয়াই আনে আৰু ই পশ্চিম ঘাট পৰ্বত বাধাপ্ৰাপ্ত হয়। তেতিয়া এই বায়ু ওপৰলৈ উঠি শীতল হয় আৰু বৰষুণ আকাৰে মাটিত পৰে। আকৌ এই বায়ুৰে মান এটি অংশ পশ্চিমঘাট পৰ্বতৰ ওপৰেদি প্ৰৱাহিত হৈ বংগাোপসাগৰৰ পিনে আগবাঢ়ে। বংগাোপসাগৰৰ ওপৰেদি প্ৰবাহিত হওতে পুনৰ অধিক জলীয় ভাপ আহৰণ কৰি এই বায়ু অসমৰ লগতে উত্তৰ –

পূৰ্বাঞ্চলত সােমায় । এই বতাহে মেঘালয় মালভূমিত বাধাপ্ৰাপ্ত হৈ প্ৰচুৰ পৰিমাণে বৰষুণ দিয়ে । আকৌ উত্তৰ – পূব় মৌচুমী বতাহ শীতকালত প্ৰবাহিত হয় । উত্তৰত অৱস্থিত হিমালয় পৰ্বতে এই চেঁচা বতাহ প্ৰবাহিত হােৱাত বাধা প্ৰদান কৰে আৰু ইয়াৰ ফলত ভাৰত প্ৰচণ্ড শীতৰ পৰা ৰক্ষা পৰে । এই বতাহৰ একাংশ হিমালয় পৰ্বত পাৰ হৈ ভাৰতত সোমায় যদিও স্থলভাগৰ পৰা প্ৰবাহিত হােৱা বাবে এই বতাহ শুকান হয় আৰু ইয়াৰ ফলত বৰষুণ নহয় । কিন্তু এই বতাহ বংগােপসাগৰৰ ওপৰেদি আগবাঢ়োতে কিছু পৰিমাণে জলীয় বাষ্প আহৰণ কৰে আৰু এই বতাহ পূৰ্বঘাট পৰ্বতত খুন্দা খােৱাৰ ফলত ভাৰতৰ পূব় উপকূলত কিছু পৰিমাণে বৰষুণ হয় । এনেদৰে মৌচুমী বায়ুৱে ভাৰতৰ জলবায়ুক প্ৰভাৱান্বিত কৰে ।

**প্ৰশ্ন ৭। কি কি প্ৰকাৰৰ উদ্ভিদ ভাৰতবৰ্ষত পােৱা যায় ? চিত্ৰ আঁকি উল্লেখ কৰা ।**

**উত্তৰঃ** ভাৰতবৰ্ষত প্ৰধানকৈ ছয় প্ৰকাৰৰ উদ্ভিদ পােৱা যায়। সেইবােৰ হৈছে—

( ক ) চিৰসেউজীয়া উদ্ভিদ ।

( খ ) মৌচুমীয় উদ্ভিদ ।


( গ ) কাঁইটীয়া মৰু উদ্ভিদ ।

( ঘ ) তৃণজাতীয় উদ্ভিদ ।

( ঙ ) ব – দ্বীপীয় উদ্ভিদ ( মেনগ্ৰ’ভ ) । আৰু

( চ ) পাৰ্বত্য উদ্ভিদ ।

তলৰ চিত্ৰত ভাৰতৰ বিভিন্ন প্ৰকাৰৰ উদ্ভিদ দেখুওৱা হ’ল—




**প্ৰশ্ন ৮। ভাৰতত পাােৱা উদ্ভিদৰ প্ৰকাৰবাােৰ আলাােচনা কৰা ।**

**উত্তৰঃ** ভাৰতবৰ্ষত -পাােৱা ভিন্ন প্ৰকাৰৰ উদ্ভিদৰ বিষয়ে তলত আলাােচনা কৰা হ'ল ।

( ক ) চিৰসেউজীয়া উদ্ভিদ :- চিৰসেউজীয়া উদ্ভিদ

দেখা পাােৱা অঞ্চলবাােৰৰ বাৰ্ষিক বৰষুণৰ পৰিমাণ ২০০ ছেণ্টিমিটাৰতকৈ অধিক হয় আৰু গড় উত্তাপ ২৫° ছেলচিয়াচৰ পৰা ২৭° ছেলচিয়াচৰ ভিতৰত থাকে । চিৰসেউজীয়া উদ্ভিদবাােৰ সাধাৰণতে ওখ প্ৰকৃতিৰ হয় আৰু এই গছবাােৰ ৪৫ মিটাৰ পৰ্যন্ত ওখ হয় । বছৰৰ কোনাে ঋতুতে এই উদ্ভিদৰ পাত নসৰে । পশ্চিমঘাট পৰ্বতৰ পশ্চিম ঢাল, অৰুণাচল হিমালয়ৰ নামনি ভাগ , উজনি অসম আদি অঞ্চলত চিৰসেউজীয়া উদ্ভিদ পৰিলক্ষিত হয় ।

( খ ) মৌচুমীয় উদ্ভিদ :- মৌচুমীয় উদ্ভিদ পা েৱা অঞ্চলবা েৰৰ বাৰ্ষিক বৰষুণৰ পৰিমাণ ১০০ পৰা ২০০ ছেণ্টিমিটাৰ ভিতৰত থাকে আৰু গড় উত্তাপ ২৭° ছেলছিয়াচ হয় । মৌচুমীয় উদ্ভিদ মৌচুমী ঋতুত হা েৱা বৰষুণৰ ওপৰত নিৰ্ভৰশীল । শীতকালত এই গছবিলাকৰ পাত সৰে । মৌচুমী অৰণ্যৰ প্ৰধান উদ্ভিদ হৈছে — শাল , চেগুন , চিৰিচ , শিশু , চন্দন , অৰ্জুন আদিৰ লগতে ভিন্ন প্ৰজাতিৰ বাঁহ আদি । মৌচুমীয় উদ্ভিদ পা েৱা কেইটামান অঞ্চল হৈছে অসম , পশ্চিমবংগ , বিহাৰ , উত্তৰপ্ৰদেশ, তামিলনাড়ু আদিৰ লগতে পূৰ্বঘাট পৰ্বত , পশ্চিমঘাট পৰ্বত আৰু দাক্ষিণাত্য মালভূমিৰ পূৱ অংশ ।

( গ ) কাইটীয়া মৰু উদ্ভিদ :- কাইটীয়া মৰু উদ্ভিদ

পা েৱা অঞ্চলবা েৰত বছৰি বৰষুণৰ পৰিমাণ ৫০ ছেণ্টিমিটাৰতকৈ কম হয় । মৰু অঞ্চলত উত্তাপ অধিক আৰু পানীৰ অভাৱৰ বাবে গছৰ পাতবিলাক বহল নহৈ গোটা আৰু কাইটীয়া হয় । মৰু অঞ্চলৰ প্ৰধান উদ্ভিদ হৈছে — একাচিয়া , বিভিন্ন প্ৰকাৰ কেকটাছ , খেজুৰ , বগৰী আদি । এই উদ্ভিদ প্ৰধানকৈ ৰাজস্থানৰ পশ্চিমাংশৰ থৰ মৰুভূমি , পঞ্জাৰ দক্ষিণ – পশ্চিম অঞ্চলত দেখা যায় ।

( ঘ ) তৃণজাতীয় উদ্ভিদ পা েৱা অঞ্চলৰবাৰত বাৰ্ষিক বৰষুণৰ পৰিমাণ ৫০ পৰা ১০০ ছেণ্টিমিটাৰৰ ভিতৰত থাকে । তৃণজাতীয় উদ্ভিদৰ ভিতৰত প্ৰধান হৈছে চাপৰ জোপা েহা গছ , ঘাঁহ , সৰু কাঁইটীয়া গছ আদি । এই উদ্ভিদ প্ৰধানকৈ উত্তৰ ভাৰতৰ পঞ্জাৱ, অন্ধ্ৰপ্ৰদেশ , কটক , মহাৰাষ্ট্ৰৰ কিছু অংশত দেখা যায় । এই জাতীয় উদ্ভিদৰ অন্তৰ্গত হৈছে — ঘাঁহ , নল , খাগৰি , ইকৰা আদি ।

( ঙ ) ব – দ্বীপীয় উদ্ভিদ :- ব – দ্বীপীয় উদ্ভিদ প্ৰধানকে সাগৰৰ পাৰৰ ব – দ্বীপ অঞ্চলত দেখা যায় । এই উদ্ভিদৰ ভিতৰত প্ৰধান হৈছে সুন্দৰী , তাল , নাৰিকল । ব – দ্বীপীয় উদ্ভিদ প্ৰধানকৈ কচ্ছ উপসাগৰৰ উপকূল অঞ্চল , গংগা – ব্ৰহ্মপুত্ৰৰ ব – দ্বীপ , মহানদী , গা োদাবৰী , কৃষা , কাবেৰী আদি নৈৰ ব – দ্বীপ অঞ্চলত পা েৱা যায় । সাগৰৰ জোৱাৰৰ ফলত হা েৱা গেছৰ লগতে নদীয়ে জমা কৰা পলসুৱা মাটিত এই উদ্ভিদ জন্মে ।

( ঙ ) পাৰ্বত্য উদ্ভিদ :- পাৰ্বত্য অঞ্চলৰ ভিন ভিন উচ্চতাত ভিন্ন প্ৰজাতিৰ উদ্ভিদ পা েৱা যায় । উচ্চতা আৰু পৰ্বত – পাহাৰৰ ঢল অনুসৰি বৰষুণ , উত্তাপ আৰু মাটিৰ গুণাগুণৰ প্ৰভেদ হয় । এইবা েৰ কাৰণতে পাৰ্বত্য তাঞ্চলৰ উচ্চতাৰ তাৰতম্য অনুসৰি উদ্ভিদৰ প্ৰকাৰ ভিন্ন হয় ।

**প্ৰশ্ন ৯। ভাৰত জনসংখ্যা বৃদ্ধিৰ বিষয়ে এটি টোকা লিখা ।**

**উত্তৰঃ** ভাৰতবৰ্ষ পৃথিৱীৰ ভিতৰতে দ্বিতীয় জনবহুল দেশ । ভাৰতবৰ্ষৰ জনসংখ্যা দ্রুতগতিত বৃদ্ধি পাই আছে । ১৯০১ চনৰ এক তথ্যমতে ভাৰতৰ জনসংখ্যা আছিল ২৩৮৪ কোটি । কিন্তু ২০০১ চনৰ লাােকপিয়ল মতে ভাৰতবৰ্ষৰ জনসংখ্যা হৈছে ১০২.৭০ কোটি । সম্প্রতি ভাৰতৰ মুঠ জনসংখ্যা পৃথিৱীৰ জনসংখ্যাৰ ১৬ শতাংশ । ১৯০১ চনৰ পৰা ২০০১ চনৰ ভিতৰত ভাৰতৰ জনসংখ্যা প্ৰায় চাৰিগুণতকৈও অধিক বৃদ্ধি পাইছে । ভাবতবৰ্ষত জনসংখ্যা বৃদ্ধিৰ প্রধান কাৰণ হৈছে উচ্চ জন্মৰ হাৰ , মৃত্যুৰ নিম্ন হাৰ আৰু প্রব্রজন । জন্মৰ হাৰ মৃত্যুৰ হাৰতকৈ অধিক হাােৱা বাবে ভাৰতবৰ্ষৰ জনসংখ্যা দ্রুত গতিত বৃদ্ধি পাইছে ।

জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক হাােৱা বাবে ভাৰতবৰ্ষত সাম্প্রতিক সময়ত খাদ্য সমস্যা , বাসগৃহৰ সমস্যা , কৃষি ভূমিৰ সমস্যা , শিক্ষাৰ সমস্যা , কৰ্মসংস্থাপন তথা নিবনুৱা সমস্যাৰ দৰে কিছুমান ভয়াবহ সমস্যাৰ সৃষ্টি হৈছে । বৰ্ধিত জনসংখ্যাৰ বাবে আজি ভাৰতৰ অৰ্থনৈতিক প্রগতি বাধাগ্রস্ত হৈছে । তলৰ তালিকাত যাােৱা ১০০ বছৰৰ অৰ্থাৎ ( ১৯০১ ৰ পৰা ২০০১ ) লৈকে ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধি ধাৰা দেখুওৱা হ'ল । প্রতিটো দশকতে জনসংখ্যা বৃদ্ধিৰ পৰিমাণ ক্রমান্বয়ে উৰ্ধ্বগামী হাােৱা দেখা গৈছে । ভাৰতৰ জনসংখ্যা বৃদ্ধি ( ১৯০১–২০০১ )

ভাৰতৰ জনসংখ্যা বৃদ্ধি (১৯০১—২০০১)

| বছৰ | জনসংখ্যা (কোটি হিচাপত) |
|---|---|
| ১৯০১ | ২৩.৮৪ |
| ১৯১১ | ২৫.২১ |
| ১৯২১ | ২৫.১৩ |
| ১৯৪১ | ৩১.৮৬ |
| ১৯৫১ | ৩৬.১১ |
| ১৯৬১ | ৪৩.৯২ |
| ১৯৭১ | ৫৪.৮২ |
| ১৯৮১ | ৬৮.৩৩ |
| ১৯৯১ | ৮৪.৬৩ |
| ২০০১ | ১০২.৭০ |

**প্ৰশ্ন ১০। জনসংখ্যাৰ বিতৰণ ভাৰতৰ সকলাে ঠাইতে কিয় সমান নহয় — ব্যাখ্যা কৰা ।**

**উত্তৰঃ** ভাৰতৰ জনসংখ্যাৰ বিতৰণ দেশখনৰ সকলাে ঠাইতে সমান নহয় । ইয়াৰ বহুতাে কাৰণ আছে । সাধাৰণতে যিবাােৰ ঠাইৰ প্ৰাকৃতিক পৰিৱেশ অনুকূল নহয়

অথবা অৰ্থনৈতিক আৰু যাতায়ত – যোগাযোগ তথা পৰিবহণ ব্যৱস্থা উন্নত নহয় সেইবোৰ অঞ্চলত সাধাৰণতে জনবসতি পাতল হয় । আনহাতে যিবোৰ ঠাইৰ প্ৰাকৃতিক পৰিৱেশ অনুকূল , যোগাযোগ ব্যৱস্থা উন্নত , অৰ্থনৈতিক দিশত আগবঢ়া , ব্যৱসায় বাণিজ্যৰ উপযুক্ত সুবিধা আছে , কৃষিভূমি সাৰুৱা , উদ্যোগ প্ৰতিষ্ঠানৰ সা – সুবিধা আছে তেনেবোৰ ঠাইৰ জনবসতি ঘন হয় । তাৰোপৰি পাৰ্বত্য অঞ্চলৰ জলবায়ুৰ ভিন্নতা , বাটপথ , শিক্ষানুষ্ঠান , চিকিৎসালয় আদিৰ বিশেষ সুবিধা নাথাকে তেনেবোৰ ঠাইৰ জনবসতি সেৰেঙা হয় । সাধাৰণতে সমতল ভূমি অঞ্চল , নদ – নদী উপকূল তথা উপত্যকা অঞ্চল আদিত অধিক পৰিমাণে মানুহ বসবাস কৰে । সেয়ে আমি ক'ব পাৰো জনসংখ্যাৰ বিতৰণৰ ঠাই বিশেষে তাৰতম্য ঘটে । দেশখনৰ নগৰ – চহৰ অঞ্চলত অধিক পৰিমাণে জনসংখ্যা বসবাস কৰে আৰু গ্ৰাম্য অঞ্চলত চহৰৰ তুলনাত কম পৰিমাণৰ লোকে বসবাস কৰে । যাতায়ত , শিল্প উদ্যোগ , ব্যৱসায় বাণিজ্যৰ সুবিধা থকা অঞ্চলবোৰত জনবসতি বেছি , আনহাতে কোনো বিশেষ সা – সুবিধা নথকা অঞ্চলৰ জনবসতি সেৰেঙা হয় ।

**প্ৰশ্ন ১১। ভাৰতৰ জনসংখ্যা ঘনত্ব কিদৰে ভিন ভিন হৈছে আলোচনা কৰা ।**

**উত্তৰঃ** ভাৰতৰ জনসংখ্যা ঘনত্ব সকলো ঠাইতে সমান নহয় । ঘন জনবসতিপূৰ্ণ ঠাই বা অঞ্চলবোৰত জনসংখ্যা ঘনত্ব অধিক । আনহাতে পাতল বা সেৰেঙা জনবসতি থকা অঞ্চলত জনসংখ্যা ঘনত্ব কম হয় । কোনো এখন দেশৰ জনসংখ্যা ঘনত্ব অঞ্চলভেদে ভিন্ন হয় । জনসংখ্যাৰ ঘনত্ব ভিন্ন হোৱাৰ বহুতো কাৰক আছে , তাৰ ভিতৰত উল্লেখযোগ্য । হৈছে — প্ৰাকৃতিক পৰিৱেশ , ভূ – প্ৰকৃতি , জলবায়ু , কৰ্ম সংস্থাপনৰ সুবিধা , শিক্ষা , স্বাস্থ্য আৰু অন্যান্য সা – সুবিধাৰ লগতে অৰ্থনৈতিক বিকাশ অন্যতম ।

সাধাৰণতে যিবোৰ অঞ্চলত কৃষিকাৰ্যৰ পৰ্যাপ্ত সুবিধা আছে , বাটপথ – যোগাযোগ আৰু পৰিবহণ ব্যৱস্থা উন্নত , শিল্প উদ্যোগ প্ৰতিষ্ঠান স্থাপনৰ সা – সুবিধা আছে তেনেবোৰ অঞ্চলত জনসংখ্যা ঘনত্ব অধিক । আনহাতে যিবোৰ অঞ্চলত বুনিয়াদী সা – সুবিধাৰ অভাৱ , বাটপথ আৰু পৰিবহণ ব্যৱস্থা অনুন্নত , জলবায়ু বসবাসৰ অনুপযোগী , তেনেবোৰ ঠাইত জনসংখ্যাৰ ঘনত্ব পাতল হয় । নদী – উপত্যকা অঞ্চলৰ ভূমিভাগ সাৰুৱা , অধিকাংশ লোকে কৃষিকাৰ্যত নিয়োজিত আৰু জীৱন নিৰ্বাহ সুবিধাজনক , তেনেবোৰ অঞ্চলৰ জনসংখ্যাৰ ঘনত্ব অধিক । এনেদৰে বিভিন্ন কাৰণত ভাৰতৰ জনসংখ্যা ঘনত্বৰ ঠাই বিশেষে তাৰতম্য হোৱা দেখা যায় ।

**প্ৰশ্ন ১২। ভাৰতৰ নগৰীয়া জনসংখ্যাৰ এটি চমু আভাষ দিয়া আৰু লগতে কেইখনমান প্ৰধান চহৰৰ নগৰীয়া জনসংখ্যা বৃদ্ধিৰ তথ্য দাঙি ধৰা ।**

**উত্তৰঃ** ভাৰতৰ নগৰ অঞ্চলবোৰত জনবসতি অধিক হোৱা দেখা যায় । নগৰ – চহৰ অঞ্চলত সুচল যাতায়ত ব্যৱস্থা , উদ্যোগিক উন্নয়ন আৰু নগৰীকৰণৰ ফলত জনসাধাৰণে অধিক সুবিধা লাভ কৰিব পাৰে , সেইবাবে নগৰ অঞ্চলত জনবসতি অতি ঘন হয় । ১৯৯১ চনত ভাৰতৰ নগৰীয়া জনসংখ্যা আছিল মুঠ জনসংখ্যাৰ ২৫.৭ শতাংশ । ভাৰতৰ নগৰীয়া জনসংখ্যাৰ পৰিমাণ দিনক দিনে বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত বহুতো নগৰ অঞ্চলৰ সৃষ্টি হৈছে । যোৱা ১৯৮১ চনত ভাৰতৰ নগৰ চহৰৰ সংখ্যা আছিল ৩২৪৪ খন আৰু ই বৃদ্ধি পাই ১৯৯১ চনত ৩৭৬৮ খন হয় । অৰ্থাৎ দহ বছৰৰ ভিতৰত ভাৰতত প্ৰায় পাঁচশখন নতুন নগৰ সৃষ্টি হৈছে । এই নতুন নগৰসমূহৰ সৃষ্টিৰ প্ৰধান কাৰণ হৈছে — উদ্যোগিক বিকাশ তথা কৰ্ম সংস্থাপনৰ স – সুবিধা , চহৰ অঞ্চলত থকা শিক্ষা তথা স্বাস্থ্যৰ সা – সুবিধাৰ লগতে গ্ৰাম অঞ্চলত থকা বিভিন্ন অসুবিধাসমূহ । গ্ৰাম্য অঞ্চলত জীৱন নিৰ্বাহ পদ্ধতি অতি কষ্টকৰ হোৱা হেতুকে অধিক হাৰত জনসংখ্যা চহৰ নগৰলৈ প্ৰব্ৰজন হৈছে । ভাৰতবৰ্ষৰ এক নিযুত বা তাতকৈ অধিক জনসংখ্যা থকা চহৰৰ সংখ্যা হৈছে ২৩ খন । ভাৰতবৰ্ষৰ অতি জনবহুল মহানগৰীকেইখন হৈছে মুম্বাই, কলিকতা , দিল্লী আৰু চেন্নাই । তলৰ তালিকাত জনসংখ্যাৰ হিচাপত ভাৰতৰ প্ৰথম দহখন মহানগৰীৰ নাম আৰু সেইবোৰত থকা জনসংখ্যাৰ পৰিমাণ উল্লেখ কৰা হ'ল—

| মহানগৰী | ১৯৯১ চনৰ লোকপিয়ল মতে জনসংখ্যা (লাখ হিচাপত) |
|---|---|
| ১। মুম্বাই | ১২৫.৭১ |
| ২। কলিকতা | ১০৯.১৬ |
| ৩। দিল্লী | ৮৩.৭৫ |
| ৪। চেন্নাই | ৫৩.৬১ |
| ৫। হায়দৰাবাদ | ৪২.৮০ |
| ৬। বাংগালোৰ | ৪০.৮৬ |
| ৭। আহমেদাবাদ | ৩২.৯৭ |
| ৮। পুনা | ২৪.৮৫ |
| ৯। কাণপুৰ | ২১.১১ |
| ১০। নাগপুৰ | ১৬.৬১ |

জনসংখ্যাৰ ভিত্তিত ভাৰতৰ ভিতৰত সৰ্ববৃহৎ চহৰ হৈছে মুম্বাই । মুম্বাইৰ পাছতে স্থান লাভ কৰিছে কলিকতা , দিল্লী আৰু চেন্নাই । ২০০১ চনৰ লোকপিয়ল মতে ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত দিল্লীত জনংখ্যাৰ ঘনত্ব অধিক আৰু অৰুণাচল প্ৰদেশত জনসংখ্যাৰ ঘনত্ব সৰ্বনিম্ন । দিল্লীত প্ৰতি বৰ্গ কিল'মিটাৰত গড়ে ৬৩৫২ জন লোক বসবাস কৰে আৰু তাৰ বিপৰীতে অৰুণাচল প্ৰদেশত প্ৰতি বৰ্গ কিল'মিটাৰত গড়ে ১৩ জন লোক বসবাস কৰে ।

**প্ৰশ্ন ১৩। ভাৰতব প্ৰধান কৃষি অঞ্চলকেইটাৰ বৈশিষ্ট্য আলােচনা কৰা।**

**উত্তৰঃ** ভাৰতবৰ্ষৰ বিস্তৃত সমভূমি অঞ্চল , সাৰুৱা মাটি আৰু অনুকূল জলবায়ু কৃষিৰ বাবে অধিক উপযােগী হােৱা বাবে ভাৰতৰ অথলীতি কৃষি নিৰ্ভৰশীল । ভাৰতবৰ্ষৰ প্ৰায় সত্তৰ শতাংশ লােকে কৃষিক জীৱিকাৰ প্ৰধান অৱলম্বন হিচাপে লৈ জীৱন নিৰ্বাহ কৰে । ভাৰতৰ প্ৰধান কৃষি অঞ্চলকেইটাৰ বিভিন্ন বৈশিষ্ট্য পৰিলক্ষিত হয় । ভাৰতবৰ্ষৰ প্ৰধান কৃষি অঞ্চলকেইটা হৈছে—

( ক ) ফল – মূল আৰু শাক – পাচলি কৃষি অঞ্চল ।

( খ ) ধান – মৰাপাট – চাহ কৃষি অঞ্চল ।

( গ ) ঘেঁহু আৰু কুঁহিয়াৰ কৃষি অঞ্চল ।

( ঘ ) মিলেট আৰু তেলগুটি শস্য অঞ্চল ।

( ঙ ) মাকৈ আৰু মােটা দানাযুক্ত শস্য অঞ্চল ।

( চ ) কপাহ কৃষি অঞ্চল ।

( ছ ) মছলাজাতীয় আৰু ৰােপণ শস্য অঞ্চল ।

তলত ভাৰতৰ প্ৰধান কৃষি অঞ্চলকেইটাৰ বৈশিষ্ট্যসমূহ আলােচনা কৰা হ’ল—

( ক ) ফলমূল আৰু শাক – পাচলি কৃষি অঞ্চলটো কাশ্মীৰৰ পৰা উত্তৰ পূৱলৈকে বিস্তৃত হৈ আছে । এই অঞ্চলৰ উত্তৰ – পশ্চিম অংশত বাৰ্ষিক বৃষ্টিপাত ৬০ ছেণ্টিমিটাৰতকৈও কম হয় আৰু পূৱ অংশত ২০০ ছেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হয় । পশ্চিম হিমালয়ৰ পাহাৰীয়া অঞ্চলত , বিভিন্ন নাতিশীতােষ্ণ ফল – মূল — আপেল , নৰা বগৰী , চেৰী , বগৰী, এপিকোট আদিৰ খেতি হয় ।

( খ ) ধান – মৰাপাট – চাহ কৃষি অঞ্চলটোৱে অসমকে ধৰি অৰুণাচল প্ৰদেশ , ত্ৰিপুৰা , মেঘালয় , পশ্চিমবংগ , উৰিষ্যাৰ লগতে বিহাৰৰ উত্তৰ আৰু পূৱ অংশ আৰু উত্তৰ প্ৰদেশৰ তৰাই অঞ্চলক সামৰি লৈছে । এই অঞ্চলটো বিস্তীৰ্ণ নিম্নভূমি , নদীৰ ব – দ্বীপ আৰু উপত্যকাৰ পলসুৱা মাটিৰে পৰিপূৰ্ণ আৰু ইয়াত দক্ষিণ – পশ্চিম মৌচুমীৰ ফলত বৰষুণ হয় । এই অঞ্চলত থকা পলসুৱা মাটি , প্ৰচুৰ বৃষ্টিপাত আৰু গ্ৰীষ্মকালৰ উচ্চ উত্তাপৰ বাবে যথেষ্ট পৰিমাণে ধান উৎপাদন হয় । অসমৰ উজনি ব্ৰহ্মপুত্ৰ উপত্যকা ,

ত্ৰিপুৰা আৰু উত্তৰংগত চাহ খেতি হয় আৰু গংগা সমভূমি আৰু ব – দ্বীপ অঞ্চলৰ লগতে পূৱ উপকূল অঞ্চলত মৰাপাটৰ খেতি কৰা হয় ।

( গ ) ঘেঁহু আৰু কুঁহিয়াৰ কৃষি অঞ্চলটো বিহাৰৰ উত্তৰ অংশ , উত্তৰ প্ৰদেশ , পঞ্জাৱ , হাৰিয়ানা , মধ্যপ্ৰদেশৰ পশ্চিমাঞ্চল আৰু ৰাজস্থানৰ উত্তৰ – পূৱ অংশৰ ভিতৰত পৰে । এই অঞ্চলৰ মাটি পলসুৱা আৰু ইয়াত মধ্যম পৰিমাণৰ বৰষুণ হয় । এই কৃষি অঞ্চলটোৰ প্ৰধান শস্য হৈছে ঘেহু আৰু কুঁহিয়াৰ । এই অঞ্চলৰ শুকান ঠাইবােৰত জলসিঞ্চনৰ সহায়ত কৃষিকাৰ্য কৰা হয় ।

( ঘ ) মিলেট আৰু তেলটি শস্য অঞ্চলটোৱে কৰ্ণাটক মালভূমিৰ লগতে তামিলনাডুৰ কিছু অংশ , অন্ধ্ৰপ্ৰদেশৰ দক্ষিণাঞ্চল আৰু কেৰেলাৰ পূৱ অংশক সামৰি লৈছে । এই অঞ্চলৰ মাটিভাগ কম সাৰুৱা আৰু অনুৰ্বৰ হােৱাৰ লগতে ইয়াত বৰষুণৰ পৰিমাণ প্ৰায় ৭৫ ছেঃমিঃৰ পৰা ১২৫ ছেণ্টিমিটাৰ হয় । এই অঞ্চলৰ প্ৰধান শস্যসমূহ হৈছে – বজৰা , ৰাগী , জোৱাৰ , বাদাম , সৰিয়হ আৰু অন্যান্য মাহজাতীয় শস্য ।

( ঙ ) মাকৈ আৰু মােটা দানাযুক্ত শস্য অঞ্চলৰ অন্তৰ্গত ঠাইসমূহ হৈছে পশ্চিম ৰাজস্থান , উত্তৰ গুজৰাটৰ অৰ্ধ মৰু অঞ্চল আৰু মৰু অঞ্চলবােৰ । এই অঞ্চলৰ পূৱ অংশৰ মাটিভাগ পলসুৱা আৰু পশ্চিম অংশৰ মাটিভাগ বালিময় । ইয়াত বৰষুণৰ পৰিমাণ অতি কম হয় বাবে জলসিঞ্চন পদ্ধতিৰে কৃষিকাৰ্য কৰা হয় । এই অঞ্চলৰ মোৰ মালভূতি প্ৰধানকৈ মাকৈৰ খেতি কৰাৰ লগতে কিছু পৰিমাণে ঘেহু আৰু ৰাগী , স্যৰ খেতি কৰা হয় ।

( চ ) কপাহ কৃষি অঞ্চলটো প্ৰধানকৈ ভাৰতৰ দাক্ষিণাত্য মালভূমিৰ দক্ষিণ – পশ্চিম অংশত অৱস্থিত আৰু অঞ্চলটোৰ নদী – উপত্যকা -লকাসমূহ ক’লা মাটিৰে আবৃত বাবে প্ৰচুৰ পৰিমাণে কপাহ উৎপাদন । এই অঞ্চলটো এক বৃষ্টিছায়া ( Rain Shadow ) অঞ্চল আৰু ইয়াত বাৰ্বিক বৰষুণৰ পৰিমাণ ৭৫ ছেণ্টিমিটাৰৰ পৰা ১০০ ছেণ্টিমিটাৰৰ ভিতৰত হয় ।

( ছ ) মছলাজাতীয় আৰু ৰোপণ শস্য অঞ্চলটোৱে পূৱ আৰু পশ্চিম উপকূলীয় সমভূমিকে আদি কৰি আন্দামান – নিকোবৰ দীপপুঞ্জ আৰু লাক্ষাদ্বীপক ’ সামৰি লৈছে । এই অঞ্চলটোত বৰষুণৰ পৰিমাণ বাৰ্ষিক ২৫০ ছেণ্টিমিটাৰতকৈও অধিক হয় । এই অঞ্চলত উৎপাদিত প্ৰধান মছলাজাতীয় আৰু ৰােপণ শস্য হৈছে ৰবৰ , টপিঅ’কা , জালুক , ইলাচি’ আদি ।

**প্ৰশ্ন ১৪। ভাৰতৰ প্ৰধান শিল্প অঞ্চলকেইটা মানচিত্ৰত চিহ্নিত কৰি প্ৰত্যেকটো অঞ্চলৰে চমু বৰ্ণনা দিয়া ।**

**উত্তৰঃ** ভাৰতৰ প্ৰধান শিল্প অঞ্চলকেইটা হৈছে—

( ক ) হুগলী শিল্প অঞ্চল ।

( খ ) মুম্বাই – পুণা শিল্প অঞ্চল ।

( গ ) আহমেদাবাদ – চুৰাট শিল্প অঞ্চল ।

( ঘ ) মাদুৰাই – কইম্বাটোৰ – বাংগালাােৰ শিল্প অঞ্চল ।

( ঙ ) চোটানাগপুৰ শিল্প অঞ্চল ।

তলৰ মানচিত্ৰত ভাৰতৰ প্ৰধান শিল্প অঞ্চলসমূহ চিহ্নিত কৰা হ'ল—




( ক ) ভাৰতৰ হুগলী শিল্প অঞ্চলটো কলিকতা চহৰৰ হুগলী নদীৰ পাৰত গঢ়ি উঠিছে আৰু অঞ্চলটোৰ প্ৰধান উদ্যোগ কেন্দ্ৰসমূহ হৈছে—

নয়াহাটী , জগতদল , চামনগৰ , ত্ৰিবেণী , বেলুৰ , লিলুৱাহ , আনদুল আদি । এই অঞ্চলৰ মৰাপাট আৰু ইঞ্জিনিয়াৰিং উদ্যোগসমূহ অতি পুৰণি কিন্তু সম্প্ৰতি মৰাপাট উদ্যোগবাোৰে কেঁচামালৰ অভাৱত বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে ।

( খ ) মুম্বাই – পুণা শিল্প অঞ্চলটো বস্ত্ৰ শিল্পক কেন্দ্ৰ কৰি গঢ়ি উঠিছে । এই অঞ্চলৰ বস্ত্ৰশিল্পৰ প্ৰধান কেন্দ্ৰসমূহ হৈছে — মুম্বাই , ভিলে পাৰলে , থানে , ভানদুপ আৰু পুণা । অঞ্চলটোত পেট্ৰলিয়ামৰ ওপৰত ভিত্তি কৰি পেটু’লিয়াম ভিত্তিক ৰাসায়নিক উদ্যোগ , কৃত্ৰিম সূতা প্ৰস্তুত কৰা উদ্যোগ আদি গঢ়ি উঠিছে । অঞ্চলটোত শ্ৰমিক আৰু মূলধনৰ প্ৰাচুৰ্য থকা হেতুকে বহুতাে ৰাসায়নিক আৰু যন্ত্ৰপাতি উদ্যোগ গঢ়ি উঠিছে ।

( গ ) আহমেদাবাদ – চুৰাট শিল্প অঞ্চলৰ প্ৰধান উদ্যোগসমূহ হৈছে— পেট্ৰ’কেমিকেল উদ্যোগ , ৰাসায়নিক সাৰ উদ্যোগ , কৃত্ৰিম আঁহ জাতীয় বস্ত্ৰ উৎপাদিত শিল্প , ৰাসায়নিক দ্ৰব্য আৰু বস্ত্ৰ নিৰ্মাণ উদ্যোগ আদি । পূৰ্বতে এই অঞ্চলত প্ৰধানকৈ বস্ত্ৰ উদ্যোগ আছিল যদিও সম্প্ৰতি প্ৰাকৃতিক গেছ  আৰু তেলৰ ওপৰত ভিত্তি কৰি বহুতো ৰাসায়নিক কল-কাৰখানা গঢ়ি উঠিছে ।

( ঘ ) মাদুৰাই – কইম্বাটোৰ – বাংগালাোৰ শিল্প অঞ্চলটো প্ৰধানকৈ বস্ত্ৰ উদ্যোগৰ বাবে বিখ্যাত । এই অঞ্চলটোত বস্ত্ৰ উদ্যোগৰ লগতে চৰকাৰী পৃষ্ঠপাোষকতাত বহুতাে যন্ত্ৰপাতি উদ্যোগ , ভাৰতীয় টেলিফোন উদ্যোগ, বিমান উদ্যোগ গঢ়ি উঠিছে ।

( ঙ ) চোটানাগপুৰ শিল্প অঞ্চলটো প্ৰধানকৈ চোটানাগপুৰ মালভূমি অঞ্চলত পাোৱা খনিজ পদাৰ্থৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে । এই অঞ্চলৰ প্ৰধান উদ্যোগসমূহ হৈছে — খনিজ পদাৰ্থ খনন উদ্যোগ , ধাতু উদ্যোগ , ইঞ্জিনিয়াৰিং উদ্যোগ আৰু ৰাসায়নিক উদ্যোগ ।

**প্ৰশ্ন ১৫। চমুটোকা লিখা :**

( ক ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল ।

( খ ) ভাৰতীয় অৰ্থনীতিত কৃষিৰ গুৰুত্ব ।

( গ ) মৌচুমী উদ্ভিদ ।

( ঘ ) ভাৰতৰ মৌচুমী বতাহ আৰু বৰষুণ ।

( ঙ ) ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ ।

( চ ) ভাৰতৰ জনসংখ্যা বিতৰণৰ অসমতাৰ কাৰণসমূহ ।

( ছ ) লাভা মৃত্তিকা ।

( জ ) হুগলী শিল্প অঞ্চল ।

( ঝ ) উত্তৰ ভাৰতৰ নদীবিলাকৰ বৈশিষ্ট্য ।

( ঞ ) দক্ষিণ ভাৰতৰ নদীবিলাকৰ বৈশিষ্ট্য ।

( ট ) ভাৰতীয় দ্বীপসমূহ ।

( ঠ ) হিমালয় পাৰ্বত্য অঞ্চল ।

**উত্তৰঃ** ( ক ) উত্তৰ ভাৰতৰ সমভূমি অঞ্চল :- উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটো উত্তৰৰ হিমালয় পাৰ্বত্য অঞ্চল আৰু দক্ষিণৰ মালভূমি অঞ্চলৰ মাজত অৱস্থিত । এই সমভূমি অঞ্চল পূৱে অসমৰ পৰা পশ্চিমে পাকিস্তান সীমালৈকে প্ৰায় ২৪০০ কিল'মিটাৰ বিস্তৃত । এই সমভূমি অঞ্চলৰ প্ৰস্থ ঠাইভেদে বেলেগ বেলেগ অৰ্থাৎ ই ২৪০ কিল'মিটাৰৰ পৰা ৩২০ কিল'মিটাৰৰ ভিতৰত থাকে । উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটোৰ মাটিকালি প্ৰায় ৭,০০,০০০ বৰ্গ কিলমিটাৰ । এই অঞ্চলটো প্ৰধানকৈ পাঁচখন সমভূমি – পশ্চিম সমভূমি , পঞ্জাৱ – হাৰিয়ানা সমভূমি , গঙ্গা সমভূমি , উত্তৰংগ সমভূমি আৰু ব্ৰহ্মপুত্ৰ সমভূমিৰে গঠিত । হিমালয় অঞ্চলৰ পৰা প্ৰবাহিত হােৱা তিনিখন নদী — সিন্ধু , গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ লগতে এই নদীসমূহত অসংখ্য উপনৈয়ে উত্তৰ ভাৰতৰ সমভূমি অঞ্চলটো গঠন কৰিছে । এই সমভূমি অঞ্চলৰ মাটিভাগ সাৰুৱা আৰু ইয়াত যাতায়ত – পৰিবহণৰ সুব্যৱস্থা আছে বাবে অঞ্চলটো কৃষিৰ ক্ষেত্ৰত আগবঢ়া আৰু জনবসতি ঘন ।


( খ ) ভাৰতৰ অৰ্থনীতিত কৃষিৰ গুৰুত্ব :- ভাৰতৰ অৰ্থনীতিত কৃষিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে । দেশখনৰ অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰশীল আৰু প্ৰায় ৭০ শতাংশ লােকে কৃষিকাৰ্যত নিয়ােজিত থাকি জীৱন নিৰ্বাহ কৰে । দেশখনৰ জাতীয় আয়ৰ ক্ষেত্ৰত কৃষিয়ে এক উল্লেখযােগ্য বৰঙণি আগবঢ়াইছে । কৃষিয়ে দেশৰ বৰ্দ্ধিত জনসংখ্যাৰ বাবে খাদ্যশস্য যােগান ধৰাৰ লগতে উদ্যোগসমূহৰ বাবে কেঁচামালৰ যােগান ধৰে । কৃষিভিত্তিক উদ্যোগবােৰত সৰহ সংখ্যক নিবনুৱাই কৰ্মসংস্থান লাভ কৰিছে । কৃষিজাত সামগ্ৰী ৰপ্তানি কৰি ভাৰতবৰ্ষই বৈদেশিক মুদ্ৰা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে । কৃষি খণ্ডৰ উন্নতিৰ লগে আনুষংগিক খণ্ডসমূহ যেনে — উদ্যোগ খণ্ড , পৰিবহণ খণ্ড , বাণিজ্য খণ্ড আদি বিভিন্ন খণ্ডবােৰৰ উন্নতি সাধন হৈছে আৰু ইয়ে

দেশৰ ৰাজ ভঁৰাল টনকিয়াল কৰিছে। কৃষিক ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড বুলি কব পাৰি।

( গ ) মৌচুমী উদ্ভিদ :- যিবাোৰ অঞ্চলত বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ ১০০ ছেণ্টিমিটাৰৰ পৰা ২০০ ছেণ্টিমিটাৰ হয় আৰু গড় উত্তাপ প্ৰায় ২৭° ছেলচিয়াচৰ ভিতৰত থাকে তেনেবাোৰ অঞ্চলতে মৌচুমীয় উদ্ভিদ জন্মে। মৌচুমীয় অৰণ্যৰ প্ৰধান উদ্ভিদসমূহ হৈছে — শাল , চেগুণ , চিৰিচ , শিশু , অৰ্জুন , শিমলু আৰু ভিন্ন প্ৰজাতিৰ বাঁহ। মৌচুমীয় উদ্ভিদ মৌচুমী ঋতুত হাোৱা বৰষুণৰ ওপৰত নিৰ্ভৰশীল। মৌচুমী অঞ্চলত শীতকালত কম পৰিমাণৰ বৰষুণ হয় আৰু উত্তাপে হ্ৰাস পায় ফলস্বৰূপে শীতকালত মৌচুমীয় উদ্ভিদবাোৰৰ পাতবাোৰ সৰি যায়। মৌচুমী উদ্ভিদ প্ৰধানকৈ অসম , পশ্চিমবংগ , বিহাৰ , উত্তৰপ্ৰদেশ , হিমাচল প্ৰদেশ , হাৰিয়ানা , মধ্যপ্ৰদেশ , তামিলনাড় , পশ্চিমঘাট , পূৰ্বঘাট পৰ্বত আৰু দাক্ষিণাত্য মালভূমিৰ পূৱ অংশত পাোৱা যায়। মৌচুমী উদ্ভিদ আন্দামান নিকোবৰ দ্বীপপুঞ্জকে ধৰি দক্ষিণ ভাৰতৰ ৰাজ্যকেইখনৰ সেমেকা অঞ্চলত দেখা যায়।

( ঘ ) ভাৰতৰ মৌচুমী বতাহ আৰু বৰষুণ :- ভাৰতত মৌচুমী বতাহ আৰু বৰষুণৰ যথেষ্ট প্ৰভাৱ পৰিলক্ষিত হয়। বছৰৰ গ্ৰীষ্ম আৰু শীতকালত মৌচুমী বতাহ প্ৰবাহিত হয়। গ্ৰীষ্মকালত দক্ষিণ – পশ্চিম মৌচুমী বতাহ আৰু শীতকালত উত্তৰ – পূৱ মৌচুমী বতাহ প্ৰবাহিত হয়। দক্ষিণ – পশ্চিম মৌচুমী বতাহ আৰৱ সাগৰৰ ওপৰেদি প্ৰবাহিত হৈ ভাৰতত সাোমায় আৰু এই বতাহৰ প্ৰভাৱতে অসম আৰু হিমালয়ৰ নামনি অঞ্চলত প্ৰচুৰ পৰিমাণে বৃষ্টিপাত হয়। উত্তৰ – পূৱ মৌচুমী বতাহ মধ্য এচিয়াৰ পৰা উত্তৰ – পূৱ দিশেৰে ভাৰতলৈ প্ৰবাহিত হয় আৰু স্থলভাগৰ পৰা অহা বাবে এই বতাহ অতি শুকান হয়। উত্তৰ – পূৱ মৌচুমী বতাহৰ ফলত বৰষুণ হাোৱা দেখা নাযায়।

দক্ষিণ – পশ্চিম মৌচুমী বতাহৰ বাবে ভাৰতত প্ৰচুৰ পৰিমাণে ববযুণ হয় আৰু ইয়ে কৃষিকাৰ্যত সহায় কৰে। ভাৰতবৰ্ষৰ উত্তৰ – পূৰ্বাঞ্চলৰ হিমালয়ৰ নামান অংশ , মেঘালয় মালভূমিৰ দক্ষিণ অংশ আৰু পশ্চিমঘাট পৰ্বতৰ পশ্চিম অংশত বাৰ্ষিক ৩০০ ছেণ্টিমিটাৰতকৈ অধিক পৰিমাণে বৰষুণ হয়। আকৌ অৰুণাচল প্ৰদেশৰ বহিঃহিমালয় অঞ্চলটোত বাৰ্ষিক বৃষ্টিপাত ৪০০ ছেণ্টিমিটাৰতকৈও বেছি হয়। আনহাতে ৰাজস্থানৰ থৰ মৰুভূমি আৰু তাৰ দাঁতিকাষৰীয়া অঞ্চলত বাৰ্ষিক বৃষ্টিপাত ৫০ ছেণ্টিমিটাৰতকৈ কম হয়। দাক্ষিণাত্য মালভূমিৰ উত্তৰ আৰু পশ্চিম অংশ আৰু গুজৰাট অঞ্চলত গড়ে ৫০ ছেণ্টিমিটাৰৰ পৰা ১০০ ছেণ্টিমিটাৰৰ ভিতৰত বৃষ্টিপাত হয়। তলৰ চিত্ৰত ভাৰতৰ বিভিন্ন ঠাইত হাোৱা বৃষ্টিপাতৰ পৰিমাণ দেখুওৱা হ’ল—




( ঙ ) ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ :- ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ কাৰণসমূহ হৈছে — জন্মৰ উচ্চ হাৰ , মৃত্যুৰ নিম্ন হাৰ , প্ৰব্ৰজন , নিৰক্ষৰতা আদি । জন্মৰ হাৰ উচ্চ হা◌েৱা বাবে ভাৰতবৰ্ষৰ জনসংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে । জন্মৰ বিপৰীতে মৃত্যুৰ হাৰ কম হা◌েৱা বাবে বৰ্ধিত জনসংখ্যাৰ সৃষ্টি হৈছে । সাম্প্ৰতিক সময়ত চিকিৎসা সেৱা অধিক উন্নত হা◌েৱা বাবে মৃত্যুৰ পৰিমাণ পূৰ্বৰ তুলনাত বহু গুণে কম হৈছে । আনহাতে নিৰক্ষৰতা , কম বয়সত বিবাহ , বাল্যবিবাহ আদি কু-সংস্কাৰ আৰু সামাজিক , ব্যৱস্থাৰ বাবে জন্মৰ হাৰ দ্ৰুতগতিত বাঢ়ি আছে । তাৰা◌েপৰি জন প্ৰব্ৰজনা◌ে ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ আন এক মুখ্য কাৰণ । ভাৰতৰ সীমান্তৱৰ্তী দেশসমূহৰ পৰা অধিক হাৰত হা◌েৱা জন প্ৰব্ৰজনে দেশখনৰ জনসংখ্যা বৃদ্ধিত অৰিহণা যা◌েগাইছে । ভাৰতবৰ্ষলৈ যিহেতু

অন্য বাহিৰা দেশৰ পৰা দ্ৰুতগতিত প্ৰব্ৰজন হৈ আছে আৰু তাৰ তুলনাত ভাৰতৰ পৰা এক সামান্য পৰিমাণ মানুহ বাহিৰৰ দেশলৈ ওলাই গৈছে , সেয়ে প্ৰব্ৰজনৰ ফলত দেশত জনসংখ্যাৰ পৰিমাণ বৃদ্ধি পাইছে আৰু দেশৰ অৰ্থনীতিত বাধাৰ সৃষ্টি কৰিছে ।

( চ ) ভাৰতত জনসংখ্যা বিতৰণৰ অসমতাৰ কাৰণসমূহ :- ভাৰতৰ জনসংখ্যা বিতৰণৰ অসমতাৰ কাৰণসমূহ হৈছে — প্ৰাকৃতিক পৰিৱেশ , ভৌগা েলিক অৱস্থান , অৰ্থনৈতিক তথা যাতায়ত ব্যৱস্থা , কৃষিৰ উৎপাদন , জলবায়ু , উদ্যোগিক উন্নয়ন , নগৰীকৰণ আদি । ভাৰতবৰ্ষৰ যিবা েৰ ৰাজ্য যাতায়ত , ব্যৱসায় বাণিজ্য আৰু শিল্প উদ্যোগত আগবঢ়া তেনেবা েৰ ঠাইত জনসংখ্যা ঘনত্ব অধিক হয় । আনহাতে যিবিলাক অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ অনুকূল নহয় আৰু পৰিৱহণ তথা যাতায়ত ব্যৱস্থা অনুন্নত , তেনে ঠাইবা েৰত জনবসতি পাতল হয় । উদাহৰণস্বৰূপে উত্তৰৰ বৰফাবৃত হিমালয় পাৰ্বত্য অঞ্চল আৰু দক্ষিণ ভাৰতৰ পশ্চিমঘাট পৰ্বতৰ মধ্য আৰু দক্ষিণাংশত প্ৰতিকূল প্ৰাকৃতিক অৱস্থাৰ কাৰণে জনবসতি অতি সেৰেঙা । তাৰ বিপৰীতে সাৰুৱা সমতল অঞ্চলত যাতায়ত ব্যৱস্থা সুচল আৰু কৃষিকাৰ্যৰ সুবিধা থকা বাবে জনবসতি ঘন হয় । ভাৰতৰ নদী উপত্যকাসমূহৰ মাটিভাগ সাৰুৱা হা েৱাৰ লগতে যাতায়ত তথা অৰ্থনৈতিক ব্যৱস্থা উন্নত হা েৱাৰ বাবে জনসাধাৰণে জীৱন ধাৰণৰ প্ৰয়া েজনীয় সা – সুবিধাবা েৰ সহজে লাভ কৰিব পাৰে আৰু সেইবাবে জনবসতিৰ পৰিমাণ অধিক হয় ।

( ছ ) লাভা মৃত্তিকা :- যিবা েৰ মৃত্তিকা বা মাটি লাভা অৱক্ষেপনৰ পৰা গঠিত হয় , তেনেবা েৰ মাটিক লাভা মৃত্তিকা বা েলা হয় । লাভা মৃত্তিকাক সাধাৰণতে কৃষ্ণ বা ক'লা মৃত্তিকা বুলিও জনা যায় । ভাৰতবৰ্ষৰ মহাৰাষ্ট্ৰ , মধ্যপ্ৰদেশৰ পশ্চিমাঞ্চল , গুজৰাট আৰু অন্ধ্ৰপ্ৰদেশৰ কাষৰীয়া অঞ্চলৰ লাভা অৱক্ষেপ বিচুৰ্ণীকৃত হৈ লাভা মৃত্তিকা গঠন হৈছে । লাভা মৃত্তিকা কৃষিকাৰ্যৰ বাবে অধিক উপযা েগী কিয়না ে এনে বা েকাময় আৰু এঠাজাতীয় ক'লা মাটিয়ে পানী ধৰি ৰাখিব পাৰে । লাভা মৃত্তিকাত উৎকৃষ্ট কপাহ খেতি হয় আৰু সেয়ে এনে মাটিক কপাহ মাটি ( Cotton Soil ) বুলিও কোৱা হয় ।

( জ ) হুগলী শিল্প অঞ্চল :- ভাৰতবৰ্ষৰ হুগলী শিল্প অঞ্চলটো হুগলী নদীৰ পাৰত অৱস্থিত আৰু এই অঞ্চলত কলকাতা আৰু নিকটৱৰ্তী হাওৰা চহৰ অন্তৰ্ভূক্ত হৈছে । হুগলী শিল্প অঞ্চলটোৰ প্ৰধান উদ্যোগ কেন্দ্ৰ সমূহ হৈছে — নয়াহাটী , জগতদল , চামনগৰ , ত্ৰিবেণী , বেলুৰ , লিলুৱাহ , আনদুল আদি । বৃটিছ শাসনৰ সময়ৰে পৰা হুগলী শিল্প অঞ্চলটো গঢ়ি উঠিছে আৰু এই অঞ্চলত থকা মৰাপাট আৰু ইঞ্জিনিয়াৰিং উদ্যোগসমূহ অতি পুৰণি । সম্প্ৰতি কেঁচামালৰ অভাৱত অধিকাংশ মৰাপাট উদ্যোগে বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে । তাৰা েপৰি শ্ৰমিক আন্দোলন , মূলধনৰ সমস্যা , শক্তি যা েগানৰ সমস্যা আদিৰ বাবে এই শিল্পদ্যোগ অঞ্চলটো আশা কৰা মতে উন্নতি কৰিব পৰা নাই ।

( ঝ ) উত্তৰ ভাৰতৰ নদীসমূহৰ বৈশিষ্ট্য :- উত্তৰ ভাৰতৰ নদীসমূহৰ বৈশিষ্ট্য হৈছে—

( i ) উত্তৰ ভাৰতৰ নদীবা◌েৰ বৰফেৰে আবৃত ওখ পৰ্বতৰ পৰা ওলাই অহা বাবে এই নদীবিলাকত গা◌েটেই বছৰ জুৰি পানীৰ সোঁত থাকে ।

( ii ) উত্তৰ ভাৰতৰ নদীবা◌েৰত উচ্চগতি , মধ্যগতি আৰু নিম্নগতি স্পষ্টভাৱে পৰিলক্ষিত হয় ।

( iii ) উত্তৰ ভাৰতৰ নদীবা◌েৰৰ উপত্যকাসমূহ বহল আৰু এই নদীবা◌েৰে বহুদূৰ সমতলৰ মাজেদি প্ৰবাহিত হা◌েৱা কাৰণে ইহঁতৰ গতি ধীৰ আৰু সেয়ে নাব্য ।

( iv ) উত্তৰ ভাৰতৰ নদীবা◌েৰ সৃষ্টিৰ ফালৰ পৰা দক্ষিণ ভাৰতৰ নদীবা◌েৰতকৈ তুলনামূলকভাৱে নতুন আৰু এই নদীবা◌েৰে সঘনাই সুতি সলনি কৰে । উত্তৰ ভাৰতৰ নদীসমূহৰ প্লাৱনভূমি বহল ।

( v ) উত্তৰ ভাৰতৰ নদীবা◌েৰ প্ৰবাহিত হওতে গেছ পৰিবহণ কৰে , সেয়ে এই নদীবিলাক জলবিদ্যুৎ উৎপাদনৰ বাবে সুবিধাজনক নহয় ।

( vi ) উত্তৰ ভাৰতৰ নদী অৱবাহিকাসমূহ পলসুৱা আৰু সাৰুৱা হা◌েৱা বাবে জনবসতি ঘন হয় ।

( vii ) উত্তৰ ভাৰতৰ নদীসমূহ নাব্য হা◌েৱা বাবে নদীৰ পাৰত বহুতা◌ে ডাঙৰ চহৰ – নগৰ গঢ়ি উঠিছে ।

( viii ) উত্তৰ ভাৰতৰ নদীবিলাকৰ দৈৰ্ঘ্য বেছি আৰু ইহঁতৰ মা◌েহনাত বিস্তৃত ব – দ্বীপ অঞ্চলৰ সৃষ্টি হয় ।

( ঞ ) দক্ষিণ ভাৰতৰ নদীবিলাকৰ বৈশিষ্ট্যঃ দক্ষিণ ভাৰতৰ নদীবিলাকৰ বৈশিষ্ট্য হৈছে –

( i ) দক্ষিণ ভাৰতৰ নদীবিলাক চাপৰ পৰ্বত বা মালভূমিৰ পৰা প্ৰৱাহিত হা◌েৱা বাবে খৰালিকালত এই নদীবা◌েৰৰ পানী প্ৰায় শুকাই যায় ।

( ii ) দক্ষিণ ভাৰতৰ নদীসমূহত উচ্চগতি , মধ্যগতি আৰু নিম্নগতি স্পষ্টভাবে পৰিলক্ষিত নহয় ।

( iii ) দক্ষিণ ভাৰতৰ নদীবা◌েৰৰ উপত্যকা কিছু ঠেক আৰু খৰস্ৰোতা হা◌েৱা বাবে নদীবা◌েৰ নাব্য নহয় ।

( iv ) দক্ষিণ ভাৰতৰ নদীবা েৰ বহু যুগ আগতে সৃষ্টি হা েৱা বাবে সঘনাই সুতি নসলায় আৰু এই নদীবা েৰৰ প্লাবন ভূমিও ঠেক হয় ।

( v ) দক্ষিণ ভাৰতৰ নদীসমূহ বিদ্যুৎ উৎপাদনৰ বাবে উপযা েগী কিয়না ে । এই নদীবা েৰ খৰস্ৰোতা হা েৱাৰ লগতে ইহঁতে কম পৰিমাণে গেছ পৰিবহণ নকৰে ।

( vi ) দক্ষিণ ভাৰতৰ নদী অৱবাহিকাসমূহ সাৰুৱা নহয় আৰু সেয়ে জনবসতি সেৰেঙা ।

( vii ) দক্ষিণ ভাৰতৰ নদীবিলাক নাব্য নহয় আৰু সেয়ে এই নদীবা েৰৰ পাৰত ডাঙৰ চহৰ – নগৰ গঢ়ি উঠা নাই ।

( vii ) দক্ষিণ ভাৰতৰ নদীবিলাক তুলনামূলকভাৱে চুটি আৰু ইহঁতৰ কিছুমানৰ মা েহনা অঞ্চলত সৰু সৰু ব – দ্বীপ গঠিত হৈছে ।

( ট ) ভাৰতীয় দ্বীপসমূহ :- ভাৰতীয় দ্বীপসমূহ প্ৰধানকৈ দুটা গা েট বা দ্বীপপুঞ্জত ভাগ কৰা হৈছে । ইয়াৰে এটা গা েটক লাক্ষা দ্বীপপুঞ্জ আৰু আনটোৰ আন্দামান – নিকোবৰ দ্বীপপুঞ্জ নামে জনা যায় । লাক্ষা দ্বীপ পুঞ্জৰ ৰাজধানী হৈছে কৱাৰাতি আৰু আন্দামান – নিকোবৰ দ্বীপপুঞ্জৰ

ৰাজধানী হৈছে পৰ্ট ব্লেয়াৰ । লাক্ষা দ্বীপপুঞ্জ লাক্ষাদ্বীপ , মিনিকয় আৰু আমিনদ্বীপ নামে তিনিটা প্ৰধান দ্বীপেৰে গঠিত আৰু ই ২৫ টা সৰু – বৰ দ্বীপৰ সমষ্টি । লাক্ষা দ্বীপপুঞ্জ মালাৱাৰ উপকূলৰ পশ্চিমে আৰৱ সাগৰত অৱস্থিত ।

আন্দামান – নিকোবৰ দ্বীপপুঞ্জ কৰমণ্ডল উপকূলৰ পৰা যথেষ্ট দূৰৈত বংগা েপসাগৰত অৱস্থিত আৰু এই দ্বীপপুঞ্জ আন্দামান অঞ্চলৰ ২০৪ টা আৰু নিকোবৰ অঞ্চলৰ ১১ টা সৰু – বৰ দ্বীপকলৈ মুঠ ২১৫ টা দ্বীপ সমষ্টিৰে গঠিত হৈছে । এই দ্বীপপুঞ্জটো দীঘলে প্ৰায় ৫৯০ কিল'মিটাৰ আৰু বহলে প্ৰায় ৫৮ কিল'মিটাৰ । এই দ্বীপসমূহৰ উচ্চতা সাগৰপৃষ্ঠৰ পৰা প্ৰায় ৫ মিটাৰৰ ভিতৰত আছে ।

( ঠ ) হিমালয় পাৰ্বত্য অঞ্চল :- হিমালয় পৃথিৱীৰ ভিতৰত সৰ্বোচ্চ পৰ্বত । হিমালয়ৰ লগতে ইয়াৰ ঠালঠেঙুলিবা েৰক সামৰি একেলগে হিমালয় পাৰ্বত্য অঞ্চল বুলি জনা যায় । হিমালয় পাৰ্বত্য অঞ্চল ভাৰতৰ উত্তৰ সীমাৰ সৈতে সংলগ্ন আৰু ই কাশ্মীৰৰ নঙ্গ পৰ্বতৰ পৰা অৰুণাচল প্ৰদেশৰ পূৱ সীমালৈকে পূৱা – পশ্চিমাকৈ বিস্তৃত হৈ আছে । এই পাৰ্বত্য অঞ্চল প্ৰায় ২৫০০ কিল'মিটাৰ দীঘল আৰু ২৪০ ৰ পৰা ৫০০ কিলমিটৰ পৰ্যন্ত বহল আৰু ইয়াৰ মাটিকালি প্ৰায় ৫,০০,০০০ বৰ্গ কিল'মিটাৰ । সাগৰ পৃষ্ঠৰপৰা এই পাৰ্বত্য অঞ্চলৰ উচ্চতা ৮০০ মিটাৰতকৈ অধিক । ভূ-বিজ্ঞানীসকলৰ মতে হিমালয় পৰ্বতে

আগুৰি থকা ঠাইখিনিত বহু নিযুত বছৰ আগতে এখন সাগৰ আছিল । সময়ৰ সোঁতত সাগৰত গেদ পৰি , পৰি হিমালয় পাৰ্বত্য অঞ্চলৰ সৃষ্টি হাৃা বুলি ভূ-বিজ্ঞানীসকলে মত পাােষণ কৰে । হিমালয় পাৰ্বত্য অঞ্চল টাৰচিয়েৰি যুগত সহজে ক্ষয়প্ৰাপ্ত হাৃা কোমল শিলাৰে গঠিত । সেয়ে এই পাৰ্বত্য অঞ্চলৰ পৰা ওলাৃা নদ – নদীবাােৰে অধিক পৰিমাণে গেদ কঢ়িয়াই অঞ্চলক পূৰা – পশ্চিমাকৈ তিনিটা শাৰীত ভাগ কৰিব পাৰি । সেয়া হৈছে — উচ্চ হিমালয় , নিম্ন হিমালয় আৰু বহিঃ হিমালয় । উচ্চ হিমালয় পাৰ্বত্য অঞ্চলৰ উচ্চতা প্ৰায় ৬০০০ মিটাৰ , নিম্ন হিমালয় পাৰ্বত্য অঞ্চলৰ উচ্চতা প্ৰায় ৪০০০ মিটাৰ আৰু বহিঃ হিমালয় পাৰ্বত্য অঞ্চলৰ গড় উচ্চতা প্ৰায় ১০০০ মিটাৰ ।